জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৩৫/২০২২**

## কামৰূপ জিলাৰ ছয়গাঁৱত ৫ হাজাৰ মেট্ৰিকটন ধাৰণ ক্ষমতাসম্পন্ন শীতল ভঁৰাল আৰু পানেৰী ছাটাবাৰীস্থিত খাদ্য সংসাধন পাৰ্কত ফল-মূল সংসাধন কেন্দ্ৰৰ শুভ উদ্বোধন মুখ্যমন্ত্ৰীৰ

## ৰাজ্যৰ যুৱ সমাজক কৃষিজাত সামগ্ৰীৰ সংসাধন আৰু পেকেজিঙত গুৰুত্ব দিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

## যোৱা ডেৰটা বছৰত অসমৰ অৰ্থনীতিয়ে এখন নতুন আকাশ স্পৰ্শ কৰাৰ দিশত ধাৱমান হৈছেঃ মুখ্যমন্ত্ৰী

- **ধান ক্ৰয়ৰ ক্ষেত্ৰত ন্যূনতম সমৰ্থিত মূল্য প্ৰতি কুইন্টলত কমেও ২০০৬ টকালৈ বৃদ্ধি কৰিব ৰাজ্য চৰকাৰে**
- **অহা মাহৰ পৰা ৯ লাখ নতুন হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ দ্বাৰা সামৰি লোৱা হ'ব**
- **আগন্তুক বৰ্ষৰ জানুৱাৰী মাহৰ পৰা ৰাজ্যৰ ৫২ লাখ লোকক ৰেচন কাৰ্ড প্ৰদানৰ কাম আৰম্ভ হ'ব**
- **ৰেচন কাৰ্ড থকা পৰিয়ালসমূহে ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা সেৱাৰ সুবিধা লাভ কৰিব**

**দিছপুৰ, ৮ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ ছয়গাঁৱত ৫ হাজাৰ মেট্ৰিকটন ধাৰণ ক্ষমতাসম্পন্ন এটা শীতল ভঁৰাল আৰু পানেৰী ছাটাবাৰীস্থিত খাদ্য সংসাধন পাৰ্কত এটা ফল-মূল সংসাধন কেন্দ্ৰৰ শুভ উদ্বোধন কৰে।

উল্লেখ্য যে ৫ হাজাৰ মেট্ৰিকটন ধাৰণ ক্ষমতাসম্পন্ন এই শীতল ভঁৰালটো ২৪.৭৫ কোটি টকা ব্যয় সাপেক্ষে ৰাজ্যিক কৃষি-সামগ্ৰী বিপণন পৰিষদে স্থাপন কৰিছে। কামৰূপ, কামৰূপ মহানগৰ, গোৱালপাৰা, নলবাৰী আৰু বৰপেটা জিলাৰ কৃষক আৰু ব্যৱসায়ীসকলক বিশেষভাৱে উপকৃত কৰিবলগীয়া এই শীতল ভঁৰালৰ প্ৰতিটো 'চিলাৰ' আৰু 'ফ্ৰীজাৰ' কোঠাৰ ধাৰণ ক্ষমতা ক্ৰমে ৫৫০ মেট্ৰিকটনৰ পৰা ৫৭৫ মেট্ৰিকটন। 'চিলাৰ' কোঠা কেইটা আলু, ফল আৰু অন্য শাক-পাচলি ৰখাৰ বাবে উপযোগী হোৱাৰ বিপৰীতে 'ফ্ৰীজাৰ' কোঠাবোৰ হিমায়িত খাদ্য সামগ্ৰী, গাখীৰ, দুগ্ধজাত সামগ্ৰী আদি ৰখাৰ বাবে উপযোগী হোৱাকৈ গঢ়ি তোলা হৈছে। আনহাতে, ফল-মূল সংসাধন কেন্দ্ৰটোৰ নিৰ্মাণত ব্যয় হৈছে ২.৮৯ কোটি টকা। ৰাজসাহায্যপ্ৰাপ্ত এইটোৱেই ৰাজ্যৰ প্ৰথমটো ফল-মূল সংসাধন কেন্দ্ৰ।

মুখ্যমন্ত্ৰী ড° শৰ্মাই এই উপলক্ষে ছয়গাঁও মহাবিদ্যালয় খেলপথাৰত আয়োজিত সভাত ভাষণ প্ৰদান কৰি ৰাজ্যৰ যুৱ সমাজক কৃষিজাত সামগ্ৰীৰ সংসাধন আৰু পেকেজিঙত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ কয় যে অসমত অযুত সম্ভাৱনা আছে। ৰাজ্যখনৰ আদা, জালুক, নেমু, জহা চাউল আদিকে ধৰি সামগ্ৰীসমূহৰ বিশ্বজুৰি বজাৰ আছে। কিন্তু কৃষকে উৎপাদিত সামগ্ৰীৰ তেতিয়াহে উচিত দাম পাব যেতিয়া তেনে সামগ্ৰীৰ সংসাধন আৰু পেকেজিঙৰ ব্যৱস্থা কৰা হয়। পৰম্পৰাগত কৃষিৰ লগত কৃষকসকলে

যদি কৃষিজাত সামগ্ৰীৰ সংসাধন আৰু পেকেজিঙত গুৰুত্ব প্ৰদান কৰে তেন্তে ৰাজ্যৰ অৰ্থনীতিয়ে নতুন জীৱন লাভ কৰিব বুলি মন্তব্য কৰি তেওঁ কয় যে উদ্যান-শস্যৰ লগত পেকেজিং আৰু সংসাধনৰ ব্যৱস্থা যিমান সোনকালে সংযোজিত হ'ব, ৰাজ্যৰ অৰ্থনীতিও সিমানেই শক্তিশালী হ'ব। বিগত বৰ্ষত এই সন্দৰ্ভত ৰাজ্য চৰকাৰে লোৱা প্ৰচেষ্টাৰ ফলত প্ৰায় ২০০ কোটি টকাৰ সামগ্ৰীৰ ৰপ্তানি সম্ভৱ হৈছে বুলি সদৰি কৰি তেওঁ কয় যে যদি ৰাজ্যখনৰ উদ্যান-শস্য খণ্ডটোক ভালদৰে সংগঠিত কৰিব পৰা যায় তেন্তে এনে বাৰ্ষিক ৰপ্তানিৰ পৰিমাণ সহজেই ১হাজাৰ কোটি টকা পৰ্যন্ত হ'বগৈ। এই দিশত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে কৃষি বিভাগক আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যৰ অৰ্থনীতি আজিও বহু পৰিমাণে কৃষিৰ ওপৰত নিৰ্ভৰশীল। অসমৰ ঘৰুৱা উৎপাদনৰ এক তৃতীয়াংশ কৃষি অৰ্থনীতিয়ে অৰিহণা যোগায়। ৰাজ্যখনৰ কৃষিখণ্ডৰ আধুনিকীকৰণ, যুৱক-যুৱতীসকলৰ বাবে কৃষিখণ্ডক মনোগ্ৰাহীকৈ গঢ়ি তোলা, কৃষি যান্ত্ৰিকীকৰণ আৰু কৃষিজাত সামগ্ৰীৰ এখন বজাৰ সৃষ্টি কৰাৰ বাবে ৰাজ্য চৰকাৰে নিৰলস প্ৰচেষ্টা চলাই আহিছে বুলি মন্তব্য কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰে ৰাজ্যখনত ২২০ টা স্থানত ধান বনা কল আৰু ১১০ টা স্থানত ধান মজুতকৰণৰ বাবে গুদাম নিৰ্মাণৰ আঁচনিও গ্ৰহণ কৰিছে। এই আঁচনিৰ বাবে উদ্যোগীসকলক ৫০ শতাংশ পৰ্যন্ত ৰাজসাহায্য আগবঢ়োৱা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে মন্তব্য কৰে যে ৰাজ্যখনত বজাৰ চাহিদা থকা বৃক্ষৰ ব্যৱসায়ৰো প্ৰচুৰ সম্ভাৱনা আছে। আগৰ, শাল, চেগুন আদিকে ধৰি বিভিন্ন মূল্যৱান গছ ৰোপণ কৰি স্বাৱলম্বী হোৱাৰ দিশত আগবাঢ়ি আহিবলৈও তেওঁ ৰাজ্যবাসীক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ কাৰ্যকালৰ যোৱা ডেৰটা বছৰত অসমৰ অৰ্থনীতিয়ে এখন নতুন আকাশ স্পৰ্শ কৰাৰ দিশত ধাৱমান হৈছে আৰু বিকাশৰ এক নতুন পৰিৱেশ নিৰ্মাণ হৈছে। শৰাইঘাটত ৰে'লপথ সহ আন এখন দলং নিৰ্মাণ, কুৰুৱা-নাৰেংগী সংযোগী, গুৱালকুছি-পলাশবাৰী সংযোগী দলং নিৰ্মাণৰ বাবে লোৱা পৰিকল্পনাৰ কথাও মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে।

আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কেইবাটাও নতুন পদক্ষেপৰ কথাও সদৰি কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে এইবাৰ ধান ক্ৰয়ৰ ক্ষেত্ৰত ন্যূনতম সমৰ্থিত মূল্য প্ৰতি কুইণ্টলত কমেও ২০০৬ টকালৈ বৃদ্ধি কৰিব। তেনেদৰে, অহা মাহৰ পৰা ৯ লাখ নতুন হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ দ্বাৰা সামৰি লোৱা হ'ব। আগন্তুক বৰ্ষৰ জানুৱাৰী মাহৰ পৰা ৰাজ্যৰ ৫২ লাখ লোকক ৰেচন কাৰ্ড প্ৰদানৰ কাম আৰম্ভ হ'ব বুলিও সদৰি কৰি তেওঁ কয় যে ৰেচন কাৰ্ড থকা পৰিয়ালসমূহে ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা সেৱা লাভৰ সুবিধা লাভ কৰিব। তেনেদৰে, আগন্তুক বৰ্ষত ৰাজ্যত ২৫ খন নতুন মহাবিদ্যালয় নিৰ্মাণৰ কামো ৰাজ্য চৰকাৰে আৰম্ভ কৰিব বুলিও তেওঁ সদৰি কৰে।

অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী অতুল বৰা, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, বিধায়কসকল ক্ৰমে ৰেকিবুদ্দিন আহমেদ, হেমাংগ ঠাকুৰীয়া, সুমন হৰিপ্ৰিয়া, নন্দিতা দাস, ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলা কলিতা, অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদৰ অধ্যক্ষ মনোজ বৰুৱা, কামৰূপ জিলা উপায়ুক্ত কীৰ্তি জাল্লীকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ৰাজ্যৰ এখন অন্যতম পীঠস্থান তথা চান্দ সদাগৰৰ কাহিনী বিজড়িত শ্ৰীশ্ৰী মা চণ্ডিকা দেৱালয় দৰ্শন কৰি সেৱা আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে আজিৰ অনুষ্ঠানত ৰাজ্যবাসীলৈ ৰাস মহোৎসৱৰ শুভেচ্ছাও জ্ঞাপন কৰে।

**নিঃকুঃদাঃ**
**৮/১১/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in